**জনসংযোগ, শোণিতপুৰ** **প্ৰেছবাৰ্তা নং ২৩৯/ ২০১৯**

# শোণিতপুৰত ১৪৪ ধাৰাৰ অধীনত নিষেধাজ্ঞা

**তেজপুৰ, ৯ ডিচেম্বৰ:** নাগৰিকত্ব (সংশোধনী) বিধেয়ক বিৰোধী আন্দোলনৰ আঁৰত কেতবোৰ অসামাজিক চক্ৰৰ দ্বাৰা শোণিতপুৰ জিলাত সামাজিক শান্তি শৃংখলা বিঘ্নিত হোৱাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি শোণিতপুৰ জিলা প্ৰশাসনে ভাৰতীয় ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৪৪ ধাৰাৰ অধীনত নিষেধাজ্ঞা জাৰি কৰিছে ।

এই নিষেধাজ্ঞা অনুসৰি ৰাজহুৱা স্থানত পাঁচজন বা তাতোধিক লোকৰ অনুমতি অবিহনে সমাবেশ; কোনোধৰণৰ চোকা মাৰণাস্ত্ৰ, লাঠী, বা অন্য কোনোধৰণৰ অস্ত্ৰ ৰাজহুৱা স্থান, খেলপথাৰ, ছবিগৃহ, প্ৰেক্ষাগৃহলৈ কঢ়িওৱা, কোনো ব্যক্তি বা ব্যক্তি সমষ্টিৰ দ্বাৰা ৰাজহুৱা স্থান, বাট-পথ বা চৰকাৰী কাৰ্যালয়, কোনো চৰকাৰী বিষয়া, বিশিষ্ট ব্যক্তি তথা জনপ্ৰতিনিধিৰ আৱাস স্থানৰ সন্মুখেৰে দাহ্য সামগ্ৰী যেনে জোঁৰ, মমবাতি লৈ যোৱাত তথা জুমুঠি দাহ কৰাত বাধা আৰোপ কৰা হৈছে ।

ইয়াৰ উপৰিও সংশ্লিষ্ট কৰ্তৃপক্ষৰ আগতীয়া অনুমতি অবিহনে ৰাজহুৱা স্থানত সভা, অনুশীলন, শোভাযাত্ৰা, শ্লোগান দিয়াৰ ওপৰতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। লগতে নিশাৰ ভাগত অৰ্থাৎ ৰাতি ১০ বজাৰ পৰা পুৱা ৬ বজালৈ লাউডস্পীকাৰ উচ্চস্বৰত ব্যৱহাৰ কৰি শব্দ প্ৰদূষণ কৰাতো প্ৰশাসনে নিষেধাজ্ঞা আৰোপ কৰিছে ।

অৱশ্যে, পাঁচ জনতকৈ অধিক লোকৰ সমাগমৰ ক্ষেত্ৰত আৰোপ কৰা নিষেধাজ্ঞা বজাৰ, খেলপথাৰ, ছবিগৃহ বা অন্য কোনো আমোদ-প্ৰমোদৰ স্থানত, শৈক্ষিক অনুষ্ঠান, ৰেল আস্থান, বাছ আস্থান, বা বিবাহ অনুষ্ঠান আদিৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব।

এই আদেশ সমগ্ৰ শোণিতপুৰ জিলাত তৎকালীন ভাৱে বলৱত হোৱাকৈ তথা পৰৱৰ্তী আদেশ জাৰি নোহোৱালৈকে বাহাল থাকিব।